নিয়মীয়া বাৰ্তা মঙলবাৰ, ২২ এপ্ৰিল ২০২৫



# হোজাইত দ্বি-ভাষিক নাট সমাৰোহৰ সামৰণি

**নিয়মীয়া বাৰ্তা, হোজাই, ২১ এপ্ৰিল ঃ** অসম নাট্য সন্মিলনৰ হোজাই সদৰ শাখাৰ উদ্যোগত হোজাইৰ নতুন বজাৰস্থিত সাহিত্যৰথী বেজবৰুৱা ভৱনত আয়োজিত প্ৰথম বাৰ্ষিক 'হোজাই দ্বি-ভাষিক নাট সমাৰোহ'ৰ সফল সামৰণি পৰে। ১৮, ১৯ আৰু ২০ এপ্ৰিলত তিনিদিনীয়াকৈ এই সমাৰোহ অনুষ্ঠিত হৈছিল। প্ৰথম নিশা স্থানীয় শিল্পীসকলে মুনিন ভূঞাৰ হাতী আৰু ফান্দি নাটক মঞ্চস্থ কৰে। মানিক আহমেদ পৰিচালিত এই নাটকখনত অনুপ কুমাৰ বৰঠাকুৰ, পদ্মকান্ত বৰা, জ্যোতি প্ৰসাদ গগৈ, জিতু শৰ্মা, বিমল নাথ, মৃণাল শৰ্মা, অমিতাভ ৰাজখোৱা, মুখ্য নাৰী চৰিত্ৰত ১৫ পৃষ্ঠাত

## হোজাইত দ্বি-ভাষিক নাট সমাৰোহৰ সামৰণি

দেৱযানী পাতৰ সহ অন্যান্য শিল্পীসকলে অভিনয় কৰে। এই উপলক্ষে মঞ্চ উদ্বোধনী অনুষ্ঠানত অসমৰ প্ৰথিতযশা অভিনেতা প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠক শইকীয়া, দুলাল ৰয়সহ অসম নাট্য সন্মিলনৰ বিষয়ববিয়াসকল উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত হোজাইৰ প্ৰবীণ নাট্য শিল্পী অমল বৰা সোঁৱৰণী ৰাজ্যিক বঁটা প্ৰথমবাৰৰ বাবে নাটিকৰ্মী, পৰিচালক মানিক আহমেদক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে ভৱেশ দত্ত বৰুৱা সম্পাদিত মঞ্চকথা নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। সেইদিনা পুৱা অসম নাট্য সন্মিলনৰ পতকা উত্তোলন আৰু স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। দ্বিতীয় দিনা দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাট কাৰেঙৰ লিগিৰীৰ সফল মঞ্চায়ন কৰে। মূল নাট পৰিৱেশন কৰাৰ আগে আগে উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে কাৰেঙৰ লিগিৰী নাটখন নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰিবলৈ লোৱা প্ৰচেষ্টাৰ বাবে দিশপুৰ মহাবিদ্যালয় আৰু হোজাই নাট সমাৰোহৰ আয়োজক সমিতিক ভূয়সী প্ৰশংসা কৰে। অসমৰ নাট্য আন্দোলনটোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় কৰি তোলাত দিশপুৰ মহাবিদ্যালয়ৰ লগতে উদ্যোক্তাসকলৰ প্ৰচেষ্টা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আঁকোৱালি লোৱাৰ তেওঁ আহ্বান জনায়। বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কাৰেঙৰ লিগিৰী নাটখনৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত অসমীয়া কৃষ্টি-সংস্কৃতি আৰু বুৰঞ্জী অবিকৃত আৰু আৰু প্ৰোজ্জ্বল ৰূপত অভিনয়, নৃত্য কলাৰ মাজেৰে প্ৰতিষ্ঠা কৰিবলৈ দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটীয়ে প্ৰয়াস কৰি আহিছে। ইতিমধ্যে নাটখনৰ দুটাকৈ প্ৰদৰ্শনী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হৈ গৈছে। হোজাইত মঞ্চস্থ কৰে। তৃতীয় দৰ্শনী। আয়োজক সমিতিৰ সভাপতি অনুপ কুমাৰ বৰঠাকুৰে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত অসম নাট্য সন্মিলনৰ সহকাৰী সম্পাদক সুৰজ শইকীয়া আৰু দিশপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মাই হোজাই অঞ্চলৰ প্ৰবীণ অভিনেতা তথা পৰিচালক হেম বৰুৱা, নৰেণ বৰা, বীণা বৰকটকী, গুৰু প্ৰসাদ বৰঠাকুৰ আৰু ৰতন কলিতাক সম্বৰ্ধনা জনায়। লগতে নাট সমাৰোহ আয়োজক সমিতিৰ তৰফৰ পৰা নাট্য শিল্পী বুবুল বৰা সোঁৱৰণী বঁটা বিশিষ্ট অভিনেত্ৰী মামণি কৌৰক প্ৰদান কৰা হয়। নাটখনৰ সফল মঞ্চায়নৰ অন্তত অভিনয় শিল্পী, কলা-কুশলীসকলক এখনকৈ মান পত্ৰ আৰু এটাকৈ স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তৃতীয় তথা অন্তিম দিনা তেজপুৰৰ ঐতিহাসিক বাণ মঞ্চৰ দ্বাৰা পদ্মনাথ গোহাঞিবৰুৱাৰ টেটোন তামুলী আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠী ছিন্নমূল নামৰ দুখন নাটক মঞ্চস্থ কৰি তিনিদিনীয়া অনুষ্ঠানৰ সামৰণি পৰে।

## ...ৰেন্দ্ৰ নাথ শৰ্মাৰ সমগ্ৰ ৰচনা প্ৰকাশ কৰিব